**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-01-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰে।

২। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ সামৰণি অনুষ্ঠানৰ অংশ হিচাপে নতুন দিল্লীৰ বিজয় চ'কত বিটিং ৰিট্ৰিট সমাৰোহৰ আয়োজন কৰা হয়।

৩। ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য্য কান্তে আজি ন্যায়পালিকাৰ কাৰ্য্য দক্ষতা বৃদ্ধি আৰু স্থগিত থকা গোচৰসমূহৰ সংখ্যা হ্ৰাস কৰা সন্দৰ্ভত এটা বিশেষ পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰে।

৪। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে কালি বাৰামতিত দুৰ্ঘটনাগ্ৰস্ত হোৱা **লিআৰজেট ফৰ্টি ফাইভ** বিমানখনৰ ব্লেক বক্স উদ্ধাৰ কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। অষ্ট্ৰেলিয়াৰ প্ৰাক্তন হকী খেলুৱৈ, প্ৰশিক্ষক মাইকেল নবছৰ আজি দেহাৱসান ঘটে।

00000

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতাৰ তত্বাৱধানত বিত্ত মন্ত্ৰালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে এই সমীক্ষা প্ৰস্তুত কৰিছে। এই সমীক্ষা দেশৰ সাম্প্ৰতিক অৰ্থনৈতিক স্থিতি আৰু ভৱিষ্যতৰ দৃষ্টিভংগীৰ সৰ্বাত্মক পৰ্য্যালোচনা। অহা পহিলা ফেব্ৰুৱাৰীত ২০২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰা হ'ব। বাজেট সত্ৰৰ প্ৰথম পৰ্য্যায় ১৩ ফেব্ৰুৱাৰীলৈ চলিব। দ্বিতীয় পৰ্য্যায় ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ অনুষ্ঠিত হ'ব।

00000

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ সামৰণি অনুষ্ঠানৰ অংশ হিচাপে নতুন দিল্লীৰ বিজয় চ'কত বিটিং ৰিট্ৰিট সমাৰোহৰ আয়োজন কৰা হয়। সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকে। সশস্ত্ৰ বাহিনীৰ বেণ্ডে বন্দে মাতৰম, এ-বতন আদিৰ দৰে দেশপ্ৰেমমূলক সংগীতৰ  সুৰেৰে সকলোকে আপ্লুত কৰে। অনুষ্ঠানত ভাৰতীয় বায়ু সেনা, সেনা, নৌসেনা আৰু কেন্দ্ৰীয় আৰক্ষী বাহিনীৰ বেণ্ডসমূহে বিভিন্ন আকৰ্ষণীয় অনুষ্ঠান প্ৰদৰ্শন কৰে। এই বছৰ বিজয় চ'কত আমন্ত্ৰিতসকলৰ আসনৰ স্থানসমূহ ভাৰতীয় বাদ্যযন্ত্ৰৰ নামত নামকৰণ কৰা হৈছে। দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যক চিনাকি কৰি দিয়াৰ উদ্দেশ্যে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

00000

ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য্য কান্তে আজি ন্যায়পালিকাৰ কাৰ্য্য দক্ষতা বৃদ্ধি আৰু স্থগিত থকা গোচৰসমূহৰ সংখ্যা হ্ৰাস কৰা সন্দৰ্ভত প্ৰযুক্তিচালিত প্ৰশাসনিক পদক্ষেপৰ এটা শৃংখলা আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। এই সংক্ৰান্তত মুখ্য ন্যায়াধীশগৰাকীয়ে বিভিন্ন উচ্চ ন্যায়ালয়ৰ সৈতে ডিজিটেল অংশীদাৰিত্ব আৰম্ভ কৰে। এই ব্যৱস্থাৰ অধীনত বিচাৰাধীন আদালতৰ আদেশ আৰু উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাসমূহ ডিজিটেলী আপডেট কৰা হ'ব আৰু এই ব্যৱস্থাৰ জৰিয়তে উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে দুয়োটা পৰ্য্যায়তে  এইসমূহ প্ৰতিফলিত হ'ব। প্ৰশাসনিক কাৰ্য্য ব্যৱস্থা পৰিচালনাৰ বাবে এটা সংহত অনলাইন পেমেণ্ট ব্যৱস্থা আৰম্ভ কৰাৰ কথাও উচ্চতম ন্যায়ালয়ৰ মুখ্য

ন্যায়াধীশগৰাকীয়ে জানিবলৈ দিয়ে। আদালত চৌহদসমূহত উপযুক্ত নিৰাপত্তা প্ৰদানৰ উদ্দেশ্যে পি এ আৰ কে নামৰ এটা নতুন এপ মুকলি কৰিব, যাৰ জৰিয়তে বাহনসমূহত অনুমতি আৰু নিৰাপত্তা নিৰ্দেশনাত স্বয়ংক্ৰিয়তা প্ৰদান কৰিব।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে আজি জনাইছে যে, কালি বাৰামতিত দুৰ্ঘটনাগ্ৰস্ত হোৱা **লিআৰজেট ফৰ্টি ফাইভ** বিমানখনৰ ব্লেক বক্স উদ্ধাৰ কৰা হৈছে। এই বিমানখনত আৰোহী হিচাপে থকা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰকে ধৰি চাৰি গৰাকী ব্যক্তিৰ থিতাতে মৃত্যু হয়। সামাজিক মাধ্যম এক্সত দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কৈছে, যে এই দুৰ্ঘটনাৰ যাতে বিতং, স্বচ্ছ আৰু সময় নিৰ্ধাৰিত অনুসন্ধান কৰিব পৰা যায়, সেয়া সুনিশ্চিত কৰাটো মন্ত্ৰালয়ৰ শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয়বস্তু। উল্লেখযোগ্য যে, এই দুৰ্ঘটনাৰ অনুসন্ধানত প্ৰয়োজন হোৱা সকলো ব্যৱস্থাপনা সক্ৰিয় কৰি তোলা হৈছে। দিল্লীত থকা বিমান দুৰ্ঘটনা অনুসন্ধানকাৰী ব্যুৰ' চমুকৈ এ এ আই বিৰ তিনিগৰাকী বিষয়াৰ এটা দলৰ লগতে ডি জি চি এ মুম্বাইৰ আঞ্চলিক কাৰ্য্যালয়ৰ তিনিগৰাকী বিষয়াৰ এটা দল কালি দুৰ্ঘটনাস্থলীত উপস্থিত হয়। একেদিনাই এ এ আই বিৰ সঞ্চালকপ্ৰধানেও দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।   কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰীৰ সক্ৰিয় শাসন আৰু বিভিন্ন আঁচনি তথা প্ৰকল্প সমূহৰ সময়োপযোগী ৰূপায়ণৰ বাবে প্ৰধানমন্ত্ৰীৰ ধ্বজাবহী মঞ্চ প্ৰগতিৰ ৫০ সংখ্যক বৈঠক অনুষ্ঠিত হয় । ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰাৰ পিছৰে পৰা প্ৰগতিয়ে মূল আন্তঃগাঁথনি প্ৰকল্পসমুহৰ নিৰীক্ষণ আৰু জন সাধাৰনৰ অভিযোগসমূহৰ প্ৰতক্ষ্য সমাধান সক্ষম কৰি শাসন ব্যৱস্থাৰ এক ৰূপান্তৰ ঘটাইছে। এই মঞ্চই সমবায় কেন্দ্ৰ, ৰাজ্য, আৰু কেন্দ্ৰীয় মন্ত্ৰালয়ক একক ডিজিটেল ব্যৱস্থা দ্বাৰা একত্ৰিত কৰে। বৰ্ত্তমান ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অধীনত বাৰ লাখ 47 হাজাৰ কোটি টকা ব্যয়সাপেক্ষ 964 টা প্ৰকল্পৰ কাম অব্যাহত আছে। ইয়াৰে 273 টা প্ৰকল্পৰ অগ্ৰগতি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত প্ৰগতিয়ে নিৰীক্ষণ কৰি আছে।

০০০০০

মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতা ভি অনন্ত নাগেশ্বৰণে শ্ৰমিকসকলৰ শক্তি সমীক্ষা প্ৰকাশ পোৱাৰ পাছতে দেশত নিয়োগ সৃষ্টি যথেষ্ট বৃদ্ধি পাইছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীত আজি ২০২৫-২৬ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীনাগেশ্বৰণে কয়, যে নিবনুৱাৰ সংখ্যা পূৰ্বৰ ৬ শতাংশৰ তুলনাত ২০২৩-২৪ বৰ্ষত ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে। তেওঁ লগতে কয়, যে মহিলা শ্ৰমিক শক্তিৰ

অংশগ্ৰহণ প্ৰায় ১৮ শতাংশ বৃদ্ধি পাইছে। মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতাগৰাকীয়ে লগতে কয়, যে বছৰটোৰ প্ৰথম ৯ মাহত নিবনুৱাৰ হাৰ ৫ দশমিক ৪ শতাংশৰ পৰা হ্ৰাস হৈ যোৱা ৩ মাহত ৪ দশমিক ৯ শতাংশ হৈছে। তেওঁ গোলকীয় অৰ্থ-ব্যৱস্থাত ভাৰতৰ স্থিতি যথেষ্ট সবল বুলি উল্লেখ কৰে।

শ্ৰীনাগেশ্বৰণে কয়, যে যদি আমি যোৱা কেইটামান বছৰক কৰ'ণো কালৰ পূৰ্বৰ গড়ৰ সৈতে তুলনা কৰো, তেন্তে দেখা যায় যে, কোৱিডৰ পূৰ্বে প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৬ দশমিক ৪ শতাংশ আছিল। যোৱা ২০২৫ বিত্তীয় বৰ্ষত এই হাৰ আছিল ৬ দশমিক ৫ শতাংশ। চলিত বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৭ দশমিক ৪ শতাংশলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। তেওঁ কয়, যে প্ৰকৃত অৰ্থত মুঠ স্থায়ী মূলধনী পুঁজিৰ হাৰ ২০২৫ বিত্তীয় বৰ্ষতকৈ অধিক হ'ব বুলি আশা কৰা হৈছে। গ্ৰামাঞ্চলৰ বিকাশৰ কথা উল্লেখ কৰি শ্ৰীনাগেশ্বৰণে কয়, যে গ্ৰামাঞ্চলত ৮১ শতাংশ পৰিয়ালে নলযোগে বিশুদ্ধ খোৱা পানী লাভ কৰিছে, ২ কোটি ৯০ লাখ ঘৰ নিৰ্মাণ কৰা হৈছে আৰু স্বামীত্ব আঁচনিৰ অধীনত ২ কোটি ৭৬ লাখ সম্পত্তি কাৰ্ড প্ৰদান কৰা হৈছে। স্বাস্থ্য খণ্ডৰ কথা উল্লেখ কৰি বিষয়াগৰাকীয়ে কয়, যে ইউ উইন প'ৰ্টেলৰ অধীনত ১৪ কোটি ৩ লাখ হিতাধিকাৰীয়ে পঞ্জীয়ন কৰিছে। ৪২ কোটি ৮ লাখ আয়ুষ্মান ভাৰত কাৰ্ড প্ৰদান কৰাৰ লগতে ১ কোটি ৮ লাখতকৈও অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ কাৰ্য্যক্ষম হৈ আছে।

00000

ভাৰত আৰু বাংলাদেশে আজি ২৩ জন ভাৰতীয় আৰু ১২৮ জন বাংলাদেশী মাছমৰীয়াক মুক্তি আৰু প্ৰত্যাৱৰ্তনৰ কাম সফলতাৰে সমাপ্ত কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এক বিবৃতিত প্ৰকাশ কৰিছে যে অজানিতে আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমাৰেখা অতিক্ৰম কৰা ভাৰতীয় মাছমৰীয়াসকলক শেহতীয়াকৈ বাংলাদেশ কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰিছে। ঠিক সেইদৰে ভাৰতীয় কৰ্তৃপক্ষইও বাংলাদেশৰ মাছমৰীয়াকো আটক কৰিছিল । ইয়াৰ পূৰ্বে যোৱা বছৰৰ জানুৱাৰী আৰু ডিচেম্বৰ মাহত ভাৰতে ১৪২ জন ভাৰতীয় মাছমৰীয়াক মুকলি কৰি দিয়াৰ সুবিধা প্ৰদান কৰিছিল আৰু পাৰস্পৰিকভাৱে ১২৮ জন বাংলাদেশৰ মাছমৰীয়াক মুকলি কৰি দিছিল। দুয়োপক্ষৰ মাছমৰীয়া সম্প্ৰদায়ৰ মানৱীয় আৰু জীৱিকাৰ চিন্তাক অগ্ৰাধিকাৰ প্ৰদান কৰি মাছমৰীয়া আৰু তেওঁলোকৰ জাহাজৰ পাৰস্পৰিক আদান-প্ৰদানৰ কাম সম্পন্ন কৰা হৈছে। ভাৰতীয় উচ্চায়ুক্তই ভাৰতীয় মাছমৰীয়াসকলৰ কাৰাবন্দী সময়ছোৱাত নিৰীক্ষণ কৰি আছিল আৰু , তেওঁলোকৰ বাবে গৰম জেকেটতথা অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যৱস্থা নিশ্চিত কৰিছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে ভাৰতীয় মাছমৰীয়াসকলৰ সুৰক্ষা আৰু কল্যাণৰ প্ৰতি চৰকাৰে সৰ্বোচ্চ গুৰুত্ব প্ৰদান কৰে।

00000

২০১২ চনৰ লণ্ডন অলিম্পিকত ভাৰতীয় পুৰুষ দলৰ প্ৰশিক্ষক অষ্ট্ৰেলিয়াৰ প্ৰাক্তন হকী খেলুৱৈ মাইকেল নবছৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত আজি মৃত্যু হয়। তেখেতে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত অষ্ট্ৰেলিয়াৰ হৈ ৭৬ খন আন্তঃৰাষ্ট্ৰীয় খেলত অংশগ্ৰহণ কৰিছিল। মাইকেল নবছ ১৯৮১ চনত বম্বেত অনুষ্ঠিত হকী বিশ্বকাপ আৰু ১৯৮৪ চনত লছ এঞ্জেলছত অলিম্পিকত অংশগ্ৰহণ কৰা অষ্ট্ৰেলিয়াৰ দলসমূহৰ অবিচ্ছেদ্য অংশ আছিল। ২০০৮ চনত বেইজিং গেমছৰ বাবে যোগ্যতা অৰ্জন কৰিব নোৱাৰাৰ পিছত ২০১১ চনত নবছে ভাৰতীয়

পুৰুষ দলটোৰ প্ৰশিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিছিল।ভাৰতৰ উপৰিও নবছে জাপানৰ প্ৰশিক্ষকৰ দায়িত্ব ও গ্ৰহণ কৰিছিল।

ooooo

সমাপ্ত